**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 23-05-2025
**Time :** 1910 hrs

ASSAMESE EVENING BULLETIN

## HEADLINES

::::::::::::::::::::

১। সন্ত্রাসবাদেই হওক বা অশান্তি বিয়পোৱা মাওবাদী কাৰ্যকলাপৰ ক্ষেত্ৰতেই হওক নৰেন্দ্ৰ মোদী চৰকাৰে শূন্য সহনশীল নীতি গ্ৰহণ কৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে মত প্ৰকাশ কৰিছে।

২। বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে আজি বাৰ্লিনত জাৰ্মান চেন্সেলৰ ফ্ৰেডৰিক মাৰ্জক সাক্ষাৎ কৰি ভাৰতে সন্ত্ৰাসবাদৰ দৰে প্ৰত্যাহ্বানৰ  প্ৰত্যুত্তৰ দিয়া কাৰ্যত জাৰ্মানীয়ে আগবঢ়োৱা সমৰ্থনৰ বাবে প্ৰশংসা কৰে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অন্ধ্ৰ প্ৰদেশত নতুন ফৌজদাৰী আইন ৰূপায়ণ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে।

৪। অন্ধ্ৰ প্ৰদেশৰ প্ৰকাছম জিলাত আজি সংঘটিত এটা দুৰ্ঘটনাত ছজন লোকৰ প্ৰাণহানি হোৱাৰ লগতে আন দুজন গুৰুতৰভাৱে আহত হয়।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

সন্ত্ৰাসবাদেই হওক বা অশান্তি বিয়পোৱা মাওবাদী কাৰ্যকলাপৰ ক্ষেত্ৰতেই হওক নৰেন্দ্ৰ মোদী চৰকাৰে শূন্য সহনশীল নীতি গ্ৰহণ কৰি আহিছে বুলি প্ৰধানমন্ত্ৰীয়ে মত প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি ৰাইজিং নৰ্থ-ইষ্ট বিনিয়োগকাৰী সন্মিলন মুকলি কৰি প্ৰধানমন্ত্ৰী মোদীয়ে উন্নত ভাৰত গঢ়াৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়ন অতি প্ৰয়োজনীয় বুলি মন্তব্য কৰে।  শ্ৰীমোদীয়ে বিনিয়োগকাৰীসকলক উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন খণ্ডত বিনিয়োগৰ বাবে আহ্বান জনাই কয়, যে বৰ্তমান উত্তৰ-পূৰ্বাঞ্চল সুযোগৰ ভূমি হৈ পৰিছে। উত্তৰ-পূৰ্বাঞ্চলক তেওঁ শক্তি আৰু ছেমিকণ্ডাক্টৰৰ মূল ছাবিকাঠি বুলিও উল্লেখ কৰে। উত্তৰ-পূৰ্বাঞ্চলক বৈচিত্ৰ্যময় অঞ্চল হিচাপে আলোকপাত কৰি প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে এই বিচিত্ৰতাই ভাৰতৰ প্ৰধান শক্তি।

এই সন্মিলনতে শ্ৰী মোদীয়ে কয়, যে ইষ্ট অৰ্থাৎ পূব মানে এমপাৱাৰ বা সৱলীকৰণ, শক্তি আৰু পৰিৱৰ্তন। তেওঁ এই কথাও আঙুলিয়াই দিয়ে যে, উত্তৰ-পূৰ্বাঞ্চলক এসময়ত সীমান্ত অঞ্চল বুলিও কোৱা হৈছিল। কিন্তু এতিয়া এই অঞ্চল বিকাশৰ দিশে খৰতকীয়াকৈ আগবঢ়া অঞ্চল হিচাপে পৰিগণিত হৈছে। তেওঁ উত্তৰ-পূৰ্বাঞ্চলক পৰ্যটনৰ ৰম্যভূমি বুলি উল্লেখ কৰি কয়, যে এই অঞ্চল গোলকীয় সন্মিলন, সংগীত সন্মিলন আৰু আকৰ্ষণীয় বিবাহৰ স্থান হিচাপে পৰিগণিত হোৱাৰ থল আছে। তেওঁ কয় যে উত্তৰ পূৰ্বাঞ্চল জৈৱ অৰ্থব্যৱস্থা আৰু বাঁহ উদ্যোগ, চাহৰ উৎপাদন আৰু পেট্ৰ'লিয়াম, ক্ৰীড়া আৰু দক্ষতা তথা পৰিবেশ পৰ্যটনৰ ক্ষেত্ৰ হিচাপে উদ্ভাসিত হৈ উঠিছে। শ্ৰীমোদীয়ে কয় যে পূৰ্বে উত্তৰ পূৰ্বাঞ্চলে বিভিন্ন প্ৰত্যাহ্বানৰ

সন্মুখীন হ'বলগীয়া হৈছিল যদিও এতিয়া বিভিন্ন সুযোগ-সুবিধাৰে পৰিপূৰ্ণ অঞ্চললৈ পৰিৱৰ্তিত হৈছে। তেওঁ কয় যে অৰুণাচল প্ৰদেশৰ চেলা সুৰংগ আৰু অসম ভূপেন হাজৰিকা সেঁতুৰ দৰে প্ৰকল্পসমূহত হাজাৰ কোটি টকা বিনিয়োগ কৰা হৈছে। তেওঁ লগতে প্ৰধানমন্ত্ৰীয়ে বিগত দশকসমূহত লাভ কৰা সফলতাসমূহৰ বিষয়ে আলোকপাত কৰি ১১ হাজাৰ কিলোমিটাৰ ঘাইপথ নিৰ্মাণ, নতুন ৰে'লপথৰ সম্প্ৰসাৰণ, বিমান বন্দৰৰ সংখ্যা দুগুণ কৰা, ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈৰ জলপথৰ বিকাশ তথা শতাধিক মোবাইল টাৱাৰ স্থাপনৰ বিষয়ে উল্লেখ কৰে। ইয়াৰ উপৰি তেওঁ উদ্যোগসমূহলৈ নিৰ্ভৰযোগ্য শক্তি যোগান নিশ্চিত কৰাৰ অৰ্থে এহেজাৰ ৬০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ উত্তৰ-পূব গেছ গ্ৰীড স্থাপনৰ বিষয়েও জানিবলৈ দিয়ে। প্ৰধানমন্ত্ৰীয়ে ভাৰত মণ্ডপমত শেহতীয়াকৈ অনুষ্ঠিত অষ্টলক্ষ্মী মহোৎসৱৰ বিষয়ে স্মৰণ কৰাৰ লগতে আজিৰ অনুষ্ঠানত উত্তৰ-পূৰ্বাঞ্চলত বিনিয়োগৰ এক মহোৎসৱ হিচাপে পৰিগণিত হ'ব বুলি সজোৰে মত প্ৰকাশ কৰে। এই সন্মিলনত বিভিন্ন উদ্যোগৰ নেতাসকলৰ উপস্থিতি অতি গুৰুত্বপূৰ্ণ বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰাৰ লগতে এই অঞ্চলত উপলব্ধ সুযোগ-সুবিধাসমূহে উৎসাহৰ পৰিবেশ সৃষ্টি কৰিছে বুলিও কয়। শ্ৰীমোদীয়ে সকলো মন্ত্ৰালয় আৰু ৰাজ্য চৰকাৰক বিনিয়োগৰ অনুকূল পৰিবেশ গঢ়ি তোলাৰ বাবে অভিনন্দন জ্ঞাপন কৰে।

এই সন্মিলনত অংশগ্ৰহণ কৰি উত্তৰ-পূব উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কয়, যে চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি আৰু যোগাযোগ ব্যৱস্থা উন্নয়নৰ বাবে কাম কৰি আহিছে। তেওঁ কয়, যে এই অঞ্চলটোত বৰ্তমান ১৭ টা বিমান বন্দৰ আছে। য'ত দুহেজাৰতকৈও অধিক বিমানৰ দৈনিক আহ-যাহ হয়। তেওঁ উত্তৰ-পূৰ্বাঞ্চল দক্ষিণ-পূব এছিয়াৰ আন্তৰ্জাতিক কৰিডৰ হৈ পৰিব বুলিও আশা প্ৰকাশ কৰে। দুদিনীয়া এই সন্মিলনৰ লক্ষ্য হৈছে উত্তৰ-পূৰ্বাঞ্চলক সুযোগৰ ভূমি হিচাপে আলোকপাত কৰি বিশ্ব আৰু ঘৰুৱা বিনিয়োগৰাকীসকলক আকৰ্ষণ কৰা। এই দুদিনীয়া সন্মিলনত মন্ত্ৰী পৰ্যায়ৰ সত্ৰ, বৈঠক, ষ্টাৰ্টআপ তথা বিনিয়োগত উদগনি যোগোৱাৰ বাবে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়ে গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কীয় প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। সন্মিলনত ঘাইকৈ পৰ্যটন, আতিথ্য, কৃষি খাদ্য প্ৰসংস্কৰণ আৰু আনুষংগিক খণ্ড, বস্ত্ৰশিল্প, হস্ততাঁত, হস্তশিল্প, স্বাস্থ্য সেৱা, শিক্ষা আৰু দক্ষতা বিকাশ, তথ্য প্ৰযুক্তি, আন্তঃগাঁথনি, পৰিবহন, শক্তি, মনোৰঞ্জন আৰু ক্ৰীড়া ক্ষেত্ৰৰ বিনিয়োগৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি বাৰ্লিনত জাৰ্মান চেন্সেলৰ ফ্ৰেডৰিক মাৰ্জক সাক্ষাৎ কৰে। তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হৈ শুভেচ্ছা দিয়াৰ লগতে সন্ত্ৰাসবাদৰ দৰে প্ৰত্যাহ্বানৰ ভাৰতে দিয়া প্ৰত্যুত্তৰত জাৰ্মানীয়ে আগবঢ়োৱা সমৰ্থনৰ বাবে প্ৰশংসা কৰে। ভাৰত আৰু জাৰ্মানীৰ কৌশলগত সহযোগিতা উন্নত আৰু বিস্তাৰিত কৰাৰ অৰ্থে মাৰ্জ চৰকাৰৰ সৈতে একেলগে কাম কৰাৰ বাবে আগ্ৰহী বুলিও তেওঁ উল্লেখ কৰে। ড০ জয়শংকৰে লগতে জাৰ্মান চেন্সেলৰগৰাকীৰ বিদেশ তথা সুৰক্ষা নীতিৰ উপদেষ্টাগৰাকীৰ সৈতেও আজি আলোচনা কৰে। দুয়োগৰাকী নেতাই গুৰুত্বপূৰ্ণ আন্তঃৰাষ্ট্ৰীয় বিষয়সমূহৰ লগতে সন্ত্ৰাসবাদৰ দৰে সমস্যাৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত তেওঁলোকৰ দৃষ্টিভংগীও বিনিময় কৰে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত ড০ জয়শংকৰে কয় যে বৰ্তমানৰ অস্থিৰ বিশ্বত স্থিৰতা অনাৰ ক্ষেত্ৰত ভাৰত আৰু জাৰ্মানীৰ গভীৰ সহযোগিতৰ অতি গুৰুত্বপূৰ্ণ ভূমিকা আছে। তেওঁ কয় যে পাৰস্পৰিক বিশ্বাস অধিক শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত দুয়োখন ৰাষ্ট্ৰই একেলগে কাম কৰি যাব। বিদেশ মন্ত্ৰীগৰাকীয়ে জাৰ্মানীৰ অৰ্থনৈতিক আৰু

শক্তি মন্ত্ৰীগৰাকীকো সাক্ষাৎ কৰাৰ লগতে ভাৰত আৰু জাৰ্মানীৰ প্ৰতিভা সম্পৰ্ক, ঔদ্যোগিক অংশীদাৰিত্ব আৰু যুটীয়া সহযোগিতা বৃদ্ধিৰ উপায় সম্পৰ্কেও আলোচনা কৰে।

০০০০০০

অপাৰেচন সিন্দূৰ প্ৰসঙ্গত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী সম্পৰ্কে দিয়া মন্তব্যৰ বাবে কংগ্ৰেছ নেতা ৰাহুল গান্ধীক বিজেপিয়ে আজি সমালোচনা কৰে। প্ৰধানমন্ত্ৰীক প্ৰশ্ন উত্থাপন কৰাৰ সময়ত গান্ধীয়ে ব্যৱহাৰ কৰা কথাক লৈও বিজেপিয়ে আপত্তি দৰ্শায়। নতুন দিল্লীত এখন সংবাদমেলত দলটোৰ মুখপাত্ৰ গৌৰৱ ভাটিয়াই, গান্ধীয়ে ভাৰতীয় সেনাৰ মনোবল হ্ৰাস কৰিছে বুলি অভিযোগ কৰে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত অন্ধ্ৰ প্ৰদেশত নতুন ফৌজদাৰী আইন ৰূপায়ণ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডু এই বৈঠকত উপস্থিত থাকে।

০০০০০০

অন্ধ্ৰ প্ৰদেশৰ প্ৰকাছম জিলাৰ ৫৪৪-এফ ৰাষ্ট্ৰীয় ঘাইপথত আজি সংঘটিত এটা দুৰ্ঘটনাত ছজন লোকৰ প্ৰাণহানি হোৱাৰ লগতে আন দুজন গুৰুতৰভাৱে আহত হয়। কোমাৰৌলু মণ্ডলৰ থাটিছেৰলা মটু কেন্দ্ৰত এখন গাড়ীয়ে ট্ৰাক এখনত খুন্দিওৱাৰ ফলত দুৰ্ঘটনাটো ঘটে। আহতসকলক গিড্ডালুৰ চৰকাৰী চিকিৎসালয়লৈ লৈ যোৱা হয়। নিহত লোককেইজনক বাপাট্‌লা মণ্ডলৰ ষ্টুৱাৰ্টপুৰমৰ বাসিন্দা বুলি চিনাক্ত কৰা হৈছে।

০০০০০০

ঝাৰখণ্ডৰ বোকাৰোত এগৰাকী নাবালিকাক দলবদ্ধ ধৰ্ষণৰ অভিযোগ উত্থাপন হোৱা সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰিক লৈ ৰাষ্ট্ৰীয় মহিলা আয়োগে এটা নিজাববীয়াকৈ গোচৰ ৰুজু কৰে । এই ঘটনাক গৰিহণা জনাই আয়োগে তিনিদিনৰ ভিতৰত ঝাৰখণ্ডৰ আৰক্ষী সঞ্চালক প্ৰধানৰ পৰা কাৰ্যপন্থা গ্ৰহণ কৰাৰ বিতং প্ৰতিবেদন বিচাৰিছে।
ইয়াৰ উপৰিও ভুক্তভোগী গৰাকীক প্ৰয়োজনীয় সকলো চিকিৎসা, আইনী আৰু মানসিক সহায় নিশ্চিত কৰিবলৈ আৰু ন্যায্য আৰু নিৰ্দিষ্ট সময়ৰ ভিতৰত তদন্ত কৰিবলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিছে।

০০০০০০

ভাভাৰতীয় বতৰ বিজ্ঞান বিভাগ আই এম ডিয়ে দক্ষিণ কোংকন, উপকূলীয় আৰু ঘাট কৰ্ণাটক, মধ্য মহাৰাষ্ট্ৰ, আৰু গোৱাত প্ৰচণ্ড বৰষুণৰ বাবে ৰেড এলাৰ্ট আৰু অৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা কথা বতৰাত আই এম ডিৰ জ্যেষ্ঠ বিজ্ঞানী ড০ আৰ. কে জেনামণিয়ে কয় যে দক্ষিণ কোংকন-গোৱা উপকূলৰ ওচৰত পূব-মধ্য আৰব সাগৰৰ ওপৰত এটা নিম্ন চাপৰ অঞ্চল সৃষ্টি হৈছে আৰু ই অধিক তীব্ৰতৰ হোৱাৰ আশংকা কৰা হৈছে। তেওঁ আৰু কয় যে অহা দুই-তিনি দিনত কেৰালাত মৌচুমী বায়ুৰ প্ৰৱেশৰ বাবে সকলো পৰিস্থিতি অনুকূল হৈ আছে।

ইফালে, অহা দুই-তিনি দিনলৈ পশ্চিম ৰাজস্থানত গ্ৰীষ্মপ্ৰৱাহ অব্যাহত থকাৰ সম্ভাৱনা আছে। অঞ্চলটোত ধূলিৰ ধুমুহা বলিব বুলিও আইএমডিয়ে আগজাননী দিছে। ইফালে আজি দিল্লী NCR অঞ্চলত ধুমুহা আৰু বজ্ৰপাতৰ লগতে মধ্যমীয়া বৰষুণৰ অহাৰ সম্ভাৱনা আছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। এই খেলখন বেংগালুৰুত অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও মহানগৰখনত অবিৰাম বৰষুণৰ আগজাননী দিয়াৰ পৰিপ্ৰেক্ষিতত শেষ মুহূৰ্তত খেলখন একানা ষ্টেডিয়ামলৈ স্থানান্তৰ কৰা হয়।

২০২৫ বৰ্ষৰ আই পি এলৰ প্ৰথম ৰাউণ্ডৰ খেলসমূহ সমাপ্ত হোৱাৰ পাছত এতিয়া প্লে অফ পৰ্যায়লৈ যোগ্যতা অৰ্জন কৰা দলকেইটা নিৰ্বাচিত হ'ল আৰু আন দলকেইটা প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ল।

০০০০০০

ভাৰতৰ কিদাম্বী শ্ৰীকান্তে আজি দুপৰীয়া মালয়েছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত ফ্ৰান্সৰ টমা জুনিয়ৰ প'প'ভৰ বিৰুদ্ধে ৰোমাঞ্চকৰ জয়েৰে ছেমিফাইনেলত প্ৰৱেশ কৰে। শ্ৰীকান্তে ২৪-২২ ১৭-২২, ২২-২০ ছেটত ফৰাচী খেলুৱৈ গৰাকীক পৰাস্ত কৰে।

উল্লেখযোগ্য যে শ্ৰীকান্ত প্ৰতিযোগিতাখনত এতিয়াও বৰ্তি থকা একমাত্ৰ ভাৰতীয় খেলুৱৈ। ইয়াৰ পূৰ্বে ভাৰতৰ মিক্সড ডাবলছৰ যুটি তানিছা ক্ৰাষ্টো আৰু ধ্ৰুৱ কপিলাই চীনৰ ৰেই য়াক্সিন আৰু জিয়াং জেনবাঙৰ হাতত ২৪-২২, ২১-১৩ ছেটত পৰাস্ত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছিল।

০০০০০০

**সমাপ্ত**